**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত ২৯৮ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ঢকুৱাখনা বিধানসভা সমষ্টিত আয়োজিত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰিব। দিনৰ ১ বজাত ঘিলামৰা ব্লক ফিল্ডত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৫০ গৰাকী মহিলাক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা আৰু ঢকুৱাখনাৰ বিধায়ক নৱ কুমাৰ দলে উপস্থিত থকাৰ কথা। মুখ্যমন্ত্ৰীয়ে বিয়লি ঢকুৱাখনাৰ মাতমৰাত আয়োজিত এটা অনুষ্ঠানত ১৪৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া জলবায়ু স্থিতিস্থাপক ব্ৰহ্মপুত্ৰ সংহত বান আৰু খহনীয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। বামুণী চাপৰিৰ পৰা টেকেলিফুটালৈ এই প্ৰকল্প নিৰ্মাণ কৰা হ'ব। তেওঁ ২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ফাটবিহু ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ উন্নয়ন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে ১৫ কোটি টকা ব্যয়সাপেক্ষ বাসুদেৱ থান নৰোৱা সত্ৰৰ বিকাশৰ প্ৰথম পৰ্যায় আৰু ৯০ কোটি টকা ব্যয়সাপেক্ষে ঢকুৱাখনাৰ মহকুমা অসামৰিক চিকিৎসালয়ক ২০০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ আৰু আবাসিক গৃহ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰিব। নিশা ৮ বজাত মুখ্যমন্ত্ৰীয়ে ২৫ কোটি টকা ব্যয়েৰে লখিমপুৰত নিৰ্মিত ৮৯০ খন আসনযুক্ত ড° ভূপেন হাজৰিকা টাউন হল নামৰ অত্যাধুনিক প্ৰেক্ষাগৃহ উদ্বোধন কৰিব।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বোকাখাত বিধানসভা সমষ্টিৰ অধীনৰ আত্মসহায়ক গোটৰ ২৭ হাজাৰ ১৬৬ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। অনুষ্ঠানত দিয়া ভাষণত তেওঁ কয় যে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাই ৰাজ্য চৰকাৰৰ মূল লক্ষ্য। মহিলা সৱলীকৰণৰ বাবে চৰকাৰে অভূতপূৰ্ব প্ৰয়াস চলাইছে বুলি তেওঁ উল্লেখ কৰে।

**বাইট (চি এম)**

বোকাখাতত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে ৰাজ্যৰ ৫৫টা সমষ্টিত আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ কৰিছে। বিগত কেইবছৰমানত ৰাজ্যখনত কৃষি, উদ্যমিতা আৰু সমাজ কল্যাণকে ধৰি প্ৰতিটো খণ্ডত যথেষ্ট বিকাশ হৈছে আৰু বিকাশৰ এই গতি ১০ বছৰলৈ অব্যাহত থাকিলে অসমে দেশৰ শীৰ্ষ ৫ খন ৰাজ্যৰ তালিকাত স্থান লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীয়ে ইয়াৰ আগেয়ে অঞ্চলটোত লোকনিৰ্মাণ বিভাগৰ অধীনত পথ আৰু গৃহ, জলসিঞ্চন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ ২২টা প্ৰকল্প উদ্বোধন কৰে। জলসিঞ্চন বিভাগৰ অধীনত ৭৭ কোটি ৫৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া ১৮টা প্ৰকল্পৰো কালি মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰে।

oooooo

ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে

উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

ইপিনে, শোণিতপুৰ জিলাৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য দখলমুক্ত কৰাৰ বাবে কালি পুনৰ উচ্ছেদ চলোৱা হয়। তেজপুৰ সদৰ ৰাজহ চক্ৰ আৰু ঠেলামৰা ৰাজহ চক্ৰৰ অধীনৰ জামুকতল, আৰিমাৰি চৰ, গণেশতাপু চৰ, লাঠিমাৰী চৰৰ লগতে চিয়ালি চৰ, খুন্দলীয়া, ভাটলী, গন্তিপাৰ আৰু লহৈৰা দ্বীপ চৰত কেইবাখনো বুলডজাৰ ব্যৱহাৰ কৰি অবৈধ নিৰ্মাণসমূহ উচ্ছেদ কৰা হয়।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ স্বাস্থ্য খণ্ডত কালি অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে জয়পুৰ ৰাজ্যিক চিকিৎসালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰে। সাংসদ ৰামেশ্বৰ তেলী আৰু বিধায়ক তৰংগ গগৈয়ো উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে। ১ কোটি ১৬ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা জয়পুৰ ৰাজ্যিক চিকিৎসালয়ৰ এই ভৱনটোত দুটা এল ডি আৰ কক্ষ, পৰ্যবেক্ষণ কক্ষ, শিশু যতন কেন্দ্ৰ, অস্ত্ৰোপচাৰ কক্ষ, শিশু দুগ্ধপান কক্ষ, পৰীক্ষাগাৰ, আল্ট্ৰাছাউণ্ড কক্ষ, বিভিন্ন অপিডি কক্ষ, জৰুৰীকালীন ৱাৰ্ড, নাৰ্ছৰ বাবে জিৰণী কক্ষ, এক্সৰে কক্ষ আদিকে ধৰি সকলোধৰণৰ সা-সুবিধা থাকিব। ইয়াৰ পাছতে মন্ত্ৰী সিংহল, সাংসদ তেলী আৰু বিধায়ক তৰংগ গগৈয়ে নাহৰকটীয়া সমজিলা চিকিৎসালয়ত চাৰিখন বিছনাযুক্ত ডায়েলাছিছ কেন্দ্ৰটো উদ্বোধন কৰি ৰাইজৰ নামত উৎসৰ্গা কৰে। প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ আঁচনিৰ অধীনত উদ্বোধন কৰা এই কেন্দ্ৰটোৰ জৰিয়তে প্ৰতিদিনে তিনিটা পৰ্যায়ত ৰোগীসকলে ডায়েলাইছিছ সেৱা লাভ কৰিব পাৰিব। এই দুয়োটা অনুষ্ঠানতে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ অতিৰিক্ত সচিব ডাঃ প্ৰণতি গগৈ, নাহৰকটীয়া সমজিলা আয়ুক্ত বিৰাজ বৰুৱাকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**